আনন্দৰাম বৰুৱা

...College Library
N—391
Date
... Kamrup

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

আনন্দৰাম বৰুৱা

জীৱন-চৰিত



LIFE OF ANUNDORAM BOROOAH
BY DR. S. K. BHUYAN.

FRONTISPIECE

আনন্দৰাম বৰুৱা

জীৱন-চৰিত

১৫৭৪৫

ৰচোঁতা

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

"শূৰ্পবদ্দোষমুৎসৃজ্য গুণং গৃহ্নন্তি সাধবঃ"

—o:o—

891.451092
BHU

লয়াৰ্চ বুক ষ্টল

গুৱাহাটী, অসম

LIFE OF ANUNDORAM BOROOAH, B.A., I.C.S., Barrister-at-Law, Sanskritist, by Dr. Suryya Kumar Bhuyan, M.A., B.L. (Cal.), PH.D. (Lond.), D.LIT. (Lond.).

প্ৰকাশক—শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত-বৰুৱা, বি-এল,
লয়াৰ্চ বুক ষ্টল, গুৱাহাটী।

প্ৰথম তাঙ্গৰণ, আগষ্ট ১৯২০ চন।
দ্বিতীয় তাঙ্গৰণ, অক্টোবৰ ১৯২৪ চন।
তৃতীয় তাঙ্গৰণ, অক্টোবৰ ১৯৫৫ চন।

All rights reserved by the author.

মুদ্ৰাকৰ—শ্ৰীতীৰ্থনাথ পাল, নবজীবন প্ৰেছ,
৬৬, গ্ৰে ষ্ট্ৰীট, কলিকতা-৬।

Printed by Shri Tirthanath Paul at the Nabajiban Press, 66, Grey Street, Calcutta-6; and published by Shri Bichitra Narayan Datta-Barua, B.L., Lawyer's Book Stall, Panbazar, Gauhati, Assam. October 1955.

গ্ৰন্থকাৰৰ নিবেদন

প্ৰথম তাঙ্গৰণ।—স্বৰ্গীয় আনন্দৰাম বৰুৱাৰ জীৱনচৰিত ৰচনা সঙ্কল্প কৰা আজি কেবাবছৰো হল। ইমান দিন সেই সংকল্পক কাৰ্য্যলৈ পৰিণত কৰিবলৈ নোৱাৰাৰ প্ৰধান কাৰণ স্বৰ্গীয় মিঃ বৰুৱাৰ জীৱনৰ সকলো ঘটনা আমি ভাল মতে গোটাব পৰা নাছিলোঁ। আনন্দৰাম বৰুৱাৰ জীৱনচৰিতৰ আহিলা-সম্বল আদি সংগ্ৰহ কৰাৰ পিচতো তাক জুকিয়াই এটি সম্বন্ধ-লগা বিৱৰণ ৰচনা কৰাৰ কাৰণে সুবিধা মতে অৱসৰ পোৱা নাছিলোঁ।

মিঃ বৰুৱাৰ জীৱনৰ কাহিনীৰ সকলো কথা প্ৰকাশ কৰাত কিমান পৰিশ্ৰম হৈছে সেইটো বাইজৰ বিচাৰৰ তলতীয়া। বিশেষতঃ আমাৰ অসমত এনে এজন মানুহ নেপালোঁ যি আনন্দৰামৰ বিষয়ে ধাৰাবাহিক-ৰূপে জানে। আমি আৰু এটা অসুবিধাত পৰিছিলোঁ—আনন্দৰাম বৰুৱাই তেওঁৰ সংক্ষিপ্ত জীৱনৰ ভিতৰতে অকল মাথোঁন এঠাইত বাস নকৰিছিল। চৰকাৰী কাৰ্য্যৰ অনুৰোধত তেওঁ অসমৰ বাহিৰেও বঙ্গৰ নানান ঠাইত ভ্ৰমি ফুৰিব লাগিছিল। গতিকে তেওঁৰ জীৱনৰ কীৰ্ত্তি-কাহিনী নানান ঠাইত সিঁচতি হৈ পৰি আছে, তাক সংগ্ৰহ কৰি জুকিয়াই লিখোঁতে আমাৰ যথাসাধ্য পৰিশ্ৰম হৈছে। তাৰ উপৰিও আনন্দৰাম বৰুৱাই নিজৰ কথা কাৰো আগত খুলি নকৈছিল, তাৰপৰা তেওঁৰ জীৱনৰ বহুত কাহিনী লুপ্ত হৈছে। বৰ্ত্তমান জীৱন-চৰিতত আনন্দৰাম বৰুৱাৰ সমুদায় গ্ৰন্থৰ আমি সৰল ভাবে সকলোৱে বুজিব পৰাকৈ পৰিচয় দিবলৈ যত্ন কৰিছোঁ। তেওঁৰ সকলো গ্ৰন্থ সংগ্ৰহ কৰাতো আমাৰ অশেষ পৰিশ্ৰম হৈছে।

এই পৰিশ্ৰমৰ মূলত এটি কথাই আমাক ৰবকৈ উদগাইছিল। তাহানি বচ্ ওৱেলে সুপ্ৰসিদ্ধ ইংৰাজ সাহিত্যিক ডাক্তাৰ জনচনৰ জীৱনী লিখোঁতে এটা তাৰিখ বিজাৰৰ কাৰণে লণ্ডন মহানগৰীৰ ইমুৰৰপৰা সিমুৰলৈকে লৰিছিল।

দ্বিতীয় উদগনিৰ মূল হৈছে মিঃ চিড্নি কল্ভিন্ বিৰচিত ইংলণ্ডৰ কবি কীট্চৰ জীৱন-চৰিতত থকা এষাৰি কথা—"অনেকে কীট্চৰ জীৱন-চৰিত লিখিবলৈ আয়োজন কৰিছিল, কিন্তু তেওঁলোকৰ এটিও আয়োজন কাৰ্য্যত পৰিণত নহল। অৱশেষত কীট্চৰ মৃত্যুৰ পঁচিশ বছৰৰ পিচত, মিঃ মংক্টন মিল্নচ্ (পিচলৈ লৰ্ড হটন নামে জনাজাত) নামে এজন মানুহে এই কামটি হাতত লয়। তেওঁ কেতিয়াও কীট্চক দেখা নাছিল। মিলনচে কীট্চৰ মৃত্যুৰ পাচত জীয়াই থকা কীট্চৰ বন্ধুবান্ধৱৰ পৰা সহায় লৈ কবিৰ জীৱনৰ এটি নিখুঁত ছবি সকলোৰে আগত দাঙি ধৰে। ইয়াৰ ফলে মিঃ মিলনচৰ কাপৰপৰা আমি কাট্চৰ এখনি সুন্দৰ মনোৰম জীৱনকাহিনী পঢ়িবলৈ পাইছোঁ, তাৰ লগত প্ৰত্যেক শিক্ষাৰ্থী চিনাকি।" কীট্চৰ জীৱন-চৰিত লেখক লৰ্ড হটনৰ দৃষ্টান্তই আমাক ৰবকৈ উৎসাহ দিছিল।

তৃতীয় উদগনিৰ মূল কাৰণ আছিল যে আমি অসমীয়া প্ৰাচীন কীৰ্ত্তিকলাপেৰে ভৰপূৰ হলেও এতিয়া আমি দৰিদ্ৰ। আমাৰ মাজত মহাপুৰুষৰ জন্ম একেবাৰে বন্ধই হৈ গৈছে। জগতৰ আগত অসমৰ মুখ উজ্জ্বল কৰোঁতা কেইজন মহাত্মাই আমাৰ মাজত জন্ম গ্ৰহণ কৰিছে? আনন্দৰামৰ সুখ্যাতি ভাৰত আৰু ইউৰোপৰ শিক্ষাকেন্দ্ৰত ৰবকৈ প্ৰচাৰিত। তেওঁৰ দ্বাৰা অসমক সভ্য জগতে চিনিব পাৰিছে। কিন্তু আমাৰ দেশৰ এনেহে দুৰ্ভাগ্য যে এই মহাপুৰুষৰ আমি এতিয়াও এখনি জীৱন-চৰিত উলিয়াব পৰা নাই। এই পাপৰ কাৰণে আনন্দৰামৰ দৰে দ্বিতীয় জন মহাপুৰুষ এই পৰিমিতে অসমত জন্ম গ্ৰহণ কৰা নাই।

সেই পাপৰ এতিয়াও প্ৰায়শ্চিত্ত হোৱা নাইনে? অসমীয়া ভাষা আৰু সাহিত্যৰ পৰমহিতৈষী স্বৰ্গীয় লম্বোদৰ বৰাই আনন্দৰাম বৰুৱাৰ পিচত তেওঁৰ জীৱন-চৰিত লিখিবলৈ আহিলাপাতি গোটাই লৈছিল। আনন্দৰামৰ প্ৰায় সমসাময়িক স্বৰ্গীয় বৰা ডাঙৰীয়াই যদি সেই জীৱন-চৰিত সম্পূৰ্ণ কৰি যাব পাৰিলেহেঁতেন তেন্তে অসমীয়া জাতিৰ পৰম উপকাৰ হল-হেঁতেন, তাৰ লগে-লগে আনন্দৰাম বৰুৱাৰ জীৱনৰ বহুতো ঘটনা ৰাইজৰ আগত প্ৰকাশ হলহেঁতেন। স্বৰ্গীয় বৰা ডাঙৰীয়াৰ অন্যান্য উচ্চ সংকল্পৰ লগে-লগে সেই সংকল্পও কালৰ গৰ্ভত লীন হল। বিশেষ দুখৰ বিষয় এই যে লম্বোদৰ বৰাৰ মৃত্যুৰ পিচত আন কোনো উদ্যোগী অসমীয়াই সেই কাম হাতত নললে। আনন্দৰামৰ স্মৃতি তেতিয়াও অসমীয়া ৰাইজৰ অন্তৰত সজাগ আছিল।

বৰ্ত্তমান জীৱনী সংকলনত আমি নানান ঠাইৰ নানান মানুহৰপৰা আনন্দৰামৰ বিষয়ে কথা লৈছোঁ, কিন্তু তাৰ ভিতৰত যিবোৰ সম্ভৱপৰ আৰু মিঃ বৰুৱাৰ আন আন কথাৰ লগত বজ্জিতা খায় সেইবোৰকহে ঘাইকৈ এই জীৱন-চৰিতত ঠাই দিছোঁ।

আনন্দৰামৰ জীৱনৰ কাহিনীৰ আহিলা-সম্বল আৰু উদগনি দি সহায় কৰোঁতাসকলৰ ভিতৰত সৰ্ব্ব প্ৰথমতে স্বৰ্গীয় চাৰ গুৰুদাস বন্দ্যো-পাধ্যায়ৰ নাম লব লগীয়া। ১৯১২ চনৰ জানুৱাৰী মাহৰ ২৩ তাৰিখে আমি পূজ্যপাদ বন্দ্যোপাধ্যায় ডাঙৰীয়াৰ পৰা তেওঁৰ প্ৰিয়তম শিষ্য মিঃ বৰুৱাৰ কলেজীয়া জীৱনৰ ঘাই কথাখিনিৰ আভাস পাওঁ। আজি চাৰ গুৰুদাস বন্দ্যোপাধ্যায় আৰু ইহসংসাৰত নাই, তেওঁৰ পবিত্ৰ নামৰ উদ্দেশ্যে কৃতজ্ঞতাৰ অঞ্জলি আগ বঢ়ালোঁ।

তাৰ পিচত কলিকতাৰ ব্যাৰিষ্টাৰ কলিকতা বিশ্ববিদ্যালয়ৰ দানশীল পৃষ্ঠপোষক মিঃ বৰুৱাৰ আজীৱন বন্ধু বঙ্গৰ দাতাকৰ্ণ স্বৰ্গীয় চাৰ তাৰকানাথ পালিতক মিঃ বৰুৱাৰ জীৱন-কাহিনীৰ বাবে আমি ১৯১৩ চনৰ

জানুৱাৰী মাহৰ ১২ তাৰিখে দেখা কৰিবলৈ যাওঁতে, মিঃ পালিত তেতিয়া শয্যাগত, তেওঁ মানুহক প্ৰায় দেখা নিদিছিল আৰু ঘৰৰপৰাই প্ৰায় বাহিৰ নহৈছিল, এনেকি কলিকতা বিশ্ববিদ্যালয়ে বিশেষকৈ পতা কনভ'কেছনলৈ গৈ তেওঁক দানকৰা ডি-এল উপাধি আনিবলৈকো তেওঁ সমৰ্থ নাছিল। কিন্তু আমি দেখা কৰিবলৈ যাওঁতে ভিজিটিং কাৰ্ডত আনন্দৰামৰ জীৱনস্মৃতিৰ নিমিত্তে তেওঁৰ ওচৰলৈ গৈছোঁ বুলি লিখিলোঁ, তেওঁ তুৰন্তে আমাক তেওঁৰ শয্যাৰ ওচৰলৈ মাতি নিলে। তেওঁৰ শৰীৰ অবশ থকা সত্ত্বেও প্ৰিয় বন্ধু মিঃ বৰুৱাৰ বিষয়ে যিখিনি কথা মনত আছিল, আমাক তেওঁ আদ্যোপান্ত কলে। তেওঁৰ পবিত্ৰ আত্মাৰ উদ্দেশে আমি কৃতজ্ঞতা জনালোঁ।

১৯১৭ চনৰ জুন মাহত এটি বিশেষ কামত যোৰহাটৰ পৰা ছিলঙলৈ যাব লগীয়া হোৱাত গুৱাহাটীত এবেলা এনিশা থাকিব লগাত পৰোঁ। সেইদিনা জুন মাহৰ ৯ তাৰিখ, শনিবাৰ। গুৱাহাটী পানবজাৰৰ সনাতন ধৰ্ম্মসভা মন্দিৰৰ ওচৰত এটি ঘৰত চলৎশক্তিৰহিত হৈ আনন্দৰাম বৰুৱাৰ বাল্যকালৰ শিক্ষাগুৰু স্বৰ্গীয় চন্দ্ৰমোহন গোস্বামী ডাঙৰীয়া বাস কৰিছিল, তেওঁৰ বয়স তেতিয়া চাৰি কুৰি চাৰি বছৰ। তেওঁক বৃটিচৰ আমোলৰ অসমৰ জীৱন্ত বুৰঞ্জী বুলিলেও সৰহ কোৱা নহয়। তেওঁৰ ওচৰত অসমৰ আগৰ ভৱপৰ বিসকল পুৰুষে নাম ৰাখি গৈছে বা নাম থব লাগিছে তেওঁলোক সকলোৱে শিক্ষা লাভ কৰিছে।

তেওঁৰ নিচিনা সৰ্ব্বশাস্ত্ৰবিশাৰদ পণ্ডিত অসমত দুৰ্লভ। আমি তেওঁৰপৰা আনন্দৰামৰ সৰুকাল, আনন্দৰামৰ ককায়েকহঁত আৰু পিতৃ গৰ্গৰামৰ বিষয়ে ভালেখিনি কথা পালোঁ। আজি গোস্বামী ডাঙৰীয়া ইহসংসাৰত নাই, তেওঁৰ পবিত্ৰ আত্মাৰ উদ্দেশ্যে আমি কৃতজ্ঞতাৰ অঞ্জলি অৰ্পণ কৰিলোঁ।

তাৰ পাচত অসমত বহুত দিন ডিপুটি কমিচনাৰ কাম কৰি অৱসৰ-

প্ৰাপ্ত চিভিলিয়ান মিঃ জে-ডি এণ্ডাৰচন বৰ্ত্তমানে কেম্ব্ৰিজ আৰু লণ্ডন ইউনিভাৰ্চিটিৰ বঙ্গালী আৰু অসমীয়া ভাষাৰ অধ্যাপক। তেওঁ অসমীয়া প্ৰজাক কি দৰে ভাল পাইছিল, আৰু অসমৰ ইতিবৃত্ত অনুসন্ধানত কিদৰে মন মেলিছিল, আৰু অসমৰ বাইজক সেইবোৰ কামত কিদৰে উৎসাহ দিছিল তাক প্ৰায় সকলোৰে জানে। তাহানি আনন্দৰাম বৰুৱাৰ বিষয়ে স্বৰ্গীয় ঠাকুৰদাস মুখোপাধ্যায় ৰচিত প্ৰথম ভাগ "সাহিত্য"ত প্ৰকাশিত এটি প্ৰবন্ধত পাইছিলোঁ যে কেম্ব্ৰিজৰ মিঃ চেচিল বেণ্ডেলে স্বৰ্গীয় আনন্দৰাম বৰুৱাৰ বিষয়ে এটি ইংৰাজী প্ৰবন্ধ লিখিছিল। এই প্ৰবন্ধৰ কাৰণে কলিকতাৰ প্ৰেচিডেন্সী কলেজ আৰু ইম্পীৰিয়েল লাইব্ৰেৰীত কাকত-পত্ৰ বিচাৰি মই চলাঠ কৰিলোঁ, কিন্তু দুৰ্ভাগ্যবশতঃ মোৰ পৰিশ্ৰম সাৰ্থক নহল। তাৰ অলপ আগতে মিঃ জে-ডি এণ্ডাৰচনে "ইণ্ডিয়ান স্পেক্‌টেটাৰ" নামে কাগজত এটি প্ৰবন্ধ লিখোঁতে মিঃ বৰুৱাৰ নাম উল্লেখ কৰিছিল। তাৰেপৰা মই অনুমান কৰিলোঁ মিঃ এণ্ডাৰচন চাহাবে মিঃ বৰুৱাৰ বিষয়ে নিশ্চয় আৰু কথা জানে। সেই দেখি এই মৰ্ম্মে ১৯১৪ চনৰ জানুৱাৰী মাহৰ আদিতে মই মিঃ এণ্ডাৰচনলৈ এখনি চিঠি লিখিলোঁ,—"স্বৰ্গীয় আনন্দৰাম বৰুৱাৰ জীৱনী লিখিবলৈ আয়োজন কৰিছোঁ। ইণ্ডিয়ান স্পেক্‌টেটাৰ কাগজৰপৰা অনুমান কৰিব পাৰিলোঁ আপুনি মিঃ বৰুৱাৰ বিষয়ে বহুত কথা জানে। অনুগ্ৰহ কৰি সেইবোৰ কথা মোলৈ যেন লিখি পঠিয়ায়। আৰু শুনিছোঁ কেম্ব্ৰিজৰ অধ্যাপক মিঃ চেচিল বেণ্ডেলে কোনো এখন ইংৰাজী কাকতত মিঃ বৰুৱাৰ বিষয়ে এটি প্ৰবন্ধ লিখিছিল। কিন্তু দুৰ্ভাগ্য-বশতঃ সেই বহুমূলীয়া প্ৰবন্ধটি মই আজিলৈকে বিচাৰি উলিয়াব পৰা নাই। আপোনালোকৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীত কোনো কিতাপৰ অভাৱ নাই। অধ্যাপক বেণ্ডেলে লিখা প্ৰবন্ধটি মই ক'ত কিৰূপে পাম তাৰ এটি উপায় দিলে মই কৃতাৰ্থ মানিম।" মিঃ এণ্ডাৰচনে ১৯১৪ চনৰ জানুৱাৰী মাহৰ ২০ তাৰিখে

এই চিঠিৰ উত্তৰ দিয়ে, আৰু লগতে মিঃ বেণ্ডেলৰ প্ৰবন্ধটি পঠিয়াই এই-দৰে লিখে,—"মিঃ আনন্দৰাম বৰুৱাৰ সৈতে সাক্ষাৎ হোৱা মোৰ ভাগ্যত নঘটিছিল। তেওঁ বঙ্গদেশত চাকৰি কৰিছিল, আৰু তেতিয়া মই অসমত চাকৰি কৰিছিলোঁ। অৱশ্যে তেওঁৰ পাণ্ডিত্য আৰু পৰিশ্ৰমৰ কথা আমাৰ জনা আছিল, আৰু তেওঁৰ অকাল মৃত্যুত আমি আটায়ে দুঃখ প্ৰকাশ কৰিছিলোঁ।"

অধ্যাপক চেচিল বেণ্ডেলৰ প্ৰবন্ধটিয়ে এই গ্ৰন্থ ৰচনাত আমাক ভালেখিনি সহায় কৰিছে। এই ঠাইতে আমি মিঃ এণ্ড্ৰাবচন চাহাবলৈ কৃতজ্ঞতা জনালোঁ।

অৱসৰ পোৱা একজিকিউটিভ ইঞ্জীনিয়াৰ মিঃ ৰবীনাৰায়ণ বৰা ডাঙৰীয়াই তেখেতৰ দাৰ্জিলিঙত থকা শান্তি-আশ্ৰমৰ পৰা আমালৈ মিঃ বৰুৱাৰ বিষয়ে এখনি অতি সুন্দৰ ভাষাত জীৱনস্মৃতি লিখি পঠিয়াই দিছে। তাৰ অসমীয়া ভাঙনি আমি জীৱন-চৰিতত দিছোঁ, আৰু মূল ইংৰাজী চিঠিখনি ওপৰঞ্চিত ঠাই দিয়া হৈছে। মিঃ বৰা ডাঙৰীয়াই আমাক এই দৰে উৎসাহ দিয়াৰ বাবে আমি কৃতজ্ঞ থাকিলোঁ।

স্বৰ্গীয় ঠাকুৰদাস মুখোপাধ্যায়ে প্ৰথম বছৰ "সাহিত্য"ত (১২৯৭ বঙ্গাব্দ) আনন্দৰাম বৰুৱাৰ বিষয়ে এটি তেজস্বী প্ৰবন্ধ লিখে। পুৰণি "সাহিত্য" গুৱাহাটীত বিচাৰি নোপোৱাত লিখকে ১৯১৮ চনত কলিকতাৰ ইম্পীৰিয়েল লাইব্ৰেৰীলৈ সেই গ্ৰন্থ খুজি পঠিয়াম। লাইব্ৰেৰীয়ানে তুৰন্তে সেই কিতাপ পঠিয়াই লিখকক চিৰবাধিত কৰিছে। তাৰ উপৰিও ইম্পীৰিয়েল লাইব্ৰেৰীৰ ৰিডিংৰুমৰ চুপাৰিণ্টেণ্ডেণ্ট মহোদয়ে লিখকক গৱৰ্ণমেণ্টৰ প্ৰকাশিত পুৰণা কিতাপ-পত্ৰ বাতৰি-কাকত আদি দি মিঃ বৰুৱাৰ জীৱন-চৰিতৰ সম্বল গোটোৱাত সহায় কৰাত লিখকে তেওঁলৈ কৃতজ্ঞতা জনাইছে।

মান্দ্ৰাজৰ দেশপ্ৰেমিক সম্পাদক আৰু প্ৰকাশক শ্ৰীযুক্ত জি-এ

নেটিচন মহাশয়ৰ অনুৰোধ মতে বৰ্ত্তমান লিখকে মিঃ বৰুৱাৰ বিষয়ে এটি ইংৰাজী প্ৰবন্ধ লিখে। সুখৰ বিষয় প্ৰস্তাবিত সংস্কৃত পণ্ডিতবৃন্দৰ জীৱনীমালাত মিঃ নেটিচনে আনন্দৰাম বৰুৱাৰ জীৱনচৰিত অন্তৰ্গত কৰিবলৈ আৰু উক্ত ইংৰাজি প্ৰবন্ধটি "ইণ্ডিয়ান ৰিভিউ" কাকতত প্ৰকাশ কৰিবলৈ গাত লৈছে।

অসমীয়াৰ মাজত বাতৰি-কাকত পৰিচালনাত কৃতী পুৰুষ 'টাইমচ্-অব-আসাম'ৰ সম্পাদক শ্ৰীযুত ৰাধানাথ চাংকাকতী ডাঙৰীয়াৰ ওচৰত এই থিনিতে কৃতজ্ঞতা জনাইছোঁ। শ্ৰীযুত চাংকাকতী ডাঙৰীয়াই তেখেতৰ বহুমূলীয়া কাকতত কেবামাহো ধৰি বিনা-বেচে এই জীৱনীৰ বিষয়ে জাননী ছপাই লিখকক অশেষ উৎসাহ দিছে। কটন কলেজৰ সংস্কৃত সাহিত্যৰ অধ্যাপক শ্ৰীযুক্ত লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায় বেদশাস্ত্ৰী-দেৱে এই পুথিৰ অন্তৰ্গত সাহিত্য-প্ৰতিভা আৰু গ্ৰন্থপৰিচয় খণ্ড পঢ়ি চাই দিয়াত লিখকে কৃতজ্ঞতা জনাইছে। অসমীয়া সাহিত্যৰ পৰমহিতৈষী আৰু আসাম পাবলিছিং হাউচৰ প্ৰতিষ্ঠাতা শ্ৰীযুক্ত জিতেন্দ্ৰকুমাৰ দাসদেৱে মিঃ বৰুৱাৰ জীৱন-চৰিত ৰচনা হাতত লবলৈ লিখকক ঘনাই উদগনি দিয়াত তেখেতলৈ এই থিনিতে কৃতজ্ঞতা জনাইছোঁ।

সাৰশেহত বৰ আনন্দেৰে ক'ব লগাত পৰিছে যে স্বৰ্গীয় আনন্দৰাম বৰুৱাৰ একমাত্ৰ জীৱিত ভায়েক শ্ৰীযুত কেশৱৰাম বৰুৱা ডাঙৰীয়াই তেখেতৰ জগতপ্ৰসিদ্ধ ককাইদেৱাকৰ এই জীৱন-চৰিতখনি প্ৰকাশ কৰাত নানান প্ৰকাৰে সহায় কৰি লিখকক পৰম উৎসাহ দিছে। সেইৰূপে মই তেখেতৰ ওচৰত বিশেষ ঋণী। শ্ৰীযুত বৰুৱা ডাঙৰীয়াই এই জীৱনীৰ জীৱনকাহিনী ছোৱা হাতে-লিখা অৱস্থাতে পঢ়ি চাই আৰু ঠায়ে-ঠায়ে সংশোধন কৰি গ্ৰন্থৰ নানান আসোঁৱাহ আঁতৰাই দিছে। তেখেতৰ পৰা ককাইদেৱাকৰ এখনি ধুনীয়া ফটোও আমি পাইছোঁ। মৰমৰ ককাইদেৱাকৰ স্মৃতি যুগমীয়া কৰিবৰ কাৰণে শ্ৰীযুত কেশৱৰাম বৰুৱা

ডাঙ্গৰীয়াৰ সহানুভূতি এইখিনিতে সমাপ্ত হোৱা নাই ;—বৰ্ত্তমান গ্ৰন্থৰ ছপাখৰছ সকলো তেখেতে দানস্বৰূপে মহা আনন্দেৰে বহন কৰিছে। স্বৰ্গীয় মিঃ বৰুৱাৰ ভায়েক শ্ৰীযুত কেশৱৰাম বৰুৱা ডাঙ্গৰীয়াই সাহিত্য-সহানুভূতিৰ এই অতুলন দৃষ্টান্ত দিয়াত তেখেতৰ ওচৰত গ্ৰন্থকাৰ আৰু তাৰ লগে-লগে অসমীয়া সাহিত্য ধৰুৱা হৈ থাকিল।

ওপৰত কোৱা ভদ্ৰলোক কেজনৰ বাহিৰেও আমি কেইবা গৰাকীও অসমীয়া ভদ্ৰলোকৰ পৰা আনন্দৰামৰ বিষয়ে কথা সংগ্ৰহ কৰিব পাৰিছোঁ, বা আন প্ৰকাৰে সহায় পাইছোঁ :—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী, স্বৰ্গীয় কীৰ্ত্তিৰাম বৰুৱা, শ্ৰীযুত ভীবিৰাম বৰুৱা, শ্ৰীযুত পোনাৰাম বৰুৱা, শ্ৰীযুত কনকলাল বৰুৱা, শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা, স্বৰ্গীয় চন্দ্ৰশেখৰ বৰুৱা, শ্ৰীযুত লক্ষ্মীপ্ৰসাদ বৰুৱা, শ্ৰীযুত অম্বিকানাথ বৰা। শ্ৰীতৰুণচন্দ্ৰ বৰুৱা দেৱৰপৰা লিখকে নোৱাখালীৰ অভিনন্দন পত্ৰখনি পাইছে।

এই সকলোলৈকে লই কৃতজ্ঞতা জনালোঁ। ছাত্ৰৰ মাজত তলত লেখা কেজনে মোক গ্ৰন্থ নকল আদি কামত সহায় কৰিছে ;—শ্ৰীমান গগনচন্দ্ৰ পাটোৱাৰী, শ্ৰীমান হলিৰাম ডেকা, শ্ৰীমান উমেশচন্দ্ৰ মজিন্দাৰ বৰুৱা, শ্ৰীমান হৰেন্দ্ৰনাথ বৰুৱা, শ্ৰীমান বংশীধৰ ভূঞা, শ্ৰীমান মহেন্দ্ৰনাথ ফুকন।

আমি এটি কথা আজি বৰকৈ অনুভৱ কৰিছোঁ—স্বৰ্গীয় চাৰ গুৰুদাস বন্দ্যোপাধ্যায়, স্বৰ্গীয় চাৰ তাৰকনাথ পালিত, স্বৰ্গীয় চন্দ্ৰমোহন গোস্বামী, স্বৰ্গীয় চন্দ্ৰশেখৰ বৰুৱা, আৰু স্বৰ্গীয় কীৰ্ত্তিৰাম বৰুৱাৰ পৰা যথাসময়ত মিঃ আনন্দৰাম বৰুৱাৰ কথা নোগোটোৱা হলে আমি আজি বিষম অনুতাপত পৰিলোঁহেতেন।

অসম ছাত্ৰ সম্মিলনে অন্যান্য দেশহিতকৰ কামৰ লগে-লগে কলিকতা বিশ্ববিদ্যালয়ৰ হাতত এহেজাৰ টকা সমৰ্পণ কৰি আনন্দৰাম বৰুৱাৰ স্মৃতি-ৰক্ষাৰ্থে এটি সোণৰ মেডেল উপহাৰ দিয়াৰ ব্যৱস্থা কৰাত

অসমীয়া ৰাইজৰ যুগমীয়া শলাগনিৰ পাত্ৰ হৈছে। বঙ্গীয় সাহিত্য-পৰিষদ মন্দিৰত মিঃ আনন্দৰাম বৰুৱাৰ এখনি চিত্ৰ স্থাপন কৰাৰ নিমিত্তে পৰিষদৰ কৰ্ত্তৃপক্ষসকল আমাৰ বিশেষ ধন্যবাদ আৰু কৃতজ্ঞতাৰ পাত্ৰ হৈছে। নোৱাখালীৰ টাউন হলতো মিঃ বৰুৱাৰ এখন ছবি অৰা হৈছে।

বৰ্ত্তমান গ্ৰন্থৰ ভাষাৰ বিষয়ে আমি এটি কথা বিশেষকৈ লক্ষ্য কৰিছোঁ। আমাৰ কিছুমান গ্ৰন্থকাৰে তেওঁলোকৰ গ্ৰন্থত নানান ইংৰাজী শব্দ সুমুৱাই সেই কিতাপ সকলোৰে বুজিব নোৱৰা কৰে। আমাৰ অসমীয়া পাঠক-শ্ৰেণীৰ ভিতৰত আটায়ে যে ইংৰাজী মাতিব পাৰে বা ইংৰাজী বুজে সেইটো ধৰি লোৱা আমাৰ মহা ভুল। সেইদেখি এই জীৱন-চৰিতৰ মূল অংশত ক'তো ইংৰাজী আখৰ এটি সুমুৱা নাই, আৰু য'ত এটি দুটি সংস্কৃত শ্লোক দিয়া হৈছে তাৰ অসমীয়া ভাঙনি লগতে দিবলৈ চেষ্টা কৰিছো।

আনন্দৰাম বৰুৱাৰ গ্ৰন্থাৱলীৰ পৰিচয়খিনি আমি যিমান পাৰো তিমান সৰল ভাষাত লিখিবলৈ যত্ন কৰিছো। মিঃ বৰুৱা আৰু তেওঁৰ গ্ৰন্থাদিৰ বিষয়ে আনে দিয়া মতামত আমি পৰিশিষ্ট বা ওপৰঞ্চিত ঠাই দিছোঁ। আশা কৰোঁ কোনো অসমীয়া নজনা মানুহৰ হাতত এই গ্ৰন্থ পৰিলে পৰিশিষ্টৰ পৰা তেওঁলোকে আনন্দৰাম বৰুৱাৰ প্ৰতিভাৰ বিষয়ে অলপ আভাস পাব। মিঃ বৰুৱাৰ গ্ৰন্থাৱলীৰ পাণ্ডিত্যপূৰ্ণ আলোচনালৈ আমি সম্প্ৰতি মন মেলা নাই। আমাৰ উদ্দেশ্যত আমি কিদৰে সিদ্ধি লাভ কৰিছোঁ সেইটো ৰাইজে বিচাৰ কৰিব। অসমৰ বাহিৰে বিশেষত আনন্দৰামৰ প্ৰতিভা আৰু মাহাত্ম্যৰ পৰিচয় দিবৰ কাৰণে ইংৰাজী আৰু বঙ্গলা ভাষাত তেওঁৰ জীৱন-চৰিত ৰচনা কৰা সংকল্প আমাৰ অন্তৰত আছে।

এই জীৱন-চৰিতখনি অসমীয়া ৰাইজে সাদৰে গ্ৰহণ কৰিলে মিঃ বৰুৱাৰ ইয়াতকৈ বিস্তৃত জীৱন-চৰিত লিখিবৰ ইচ্ছা আমাৰ আছে, আৰু

পাবিলে আনন্দবাম বৰুৱাই চাকবি কৰা নোৱাখালী, বৰ্দ্ধমান, কাটোৱা, ৰাণীগঞ্জ, যশোহব, বহৰমপুৰ, দিনাজপুৰ, বিষ্ণুপুৰ, খুলনা, জাহানাবাদ, আদি ঠাইলৈ গৈ সেই ঠাইৰ মানুহৰ পৰা মিঃ বৰুৱাৰ বিষয়ে সকলো কথা সংগ্ৰহ কৰাৰ বাসনা আমাব অন্তৰত আছে। এই সকলো কাম যে অসমীয়া বাইজৰ আগ্ৰহ উদগনি আৰু সহানুভূতিৰ ওপৰত নিৰ্ভৰ কৰে তাক নকলেও হব।

অসমীয়াৰ ভিতৰত আনন্দৰামৰ দৰে মহাপুৰুষে আজি জন্ম গ্ৰহণ কৰা নাই। এই গ্ৰন্থ পঢ়ি কাৰোবাৰ অন্তৰত আনন্দৰামৰ একাগ্ৰতা, জ্ঞানলিপ্সা আৰু মাহাত্ম্যৰ এটি মাত্ৰ কণিকা যদি প্ৰজ্জ্বলিত হয় তেনেহলে মোৰ সকলো চেষ্টা-পৰিশ্ৰম সাৰ্থক হৈছে বুলি ভাবিম।—গুৱাহাটী, ১৫ আগষ্ট ১৯২০ চন।

দ্বিতীয় তাঙ্গৰণ।—অসমীয়া বাইজ, অসমৰ শিক্ষাবিভাগ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষসকলৰ অনুগ্ৰহত অতি কম সময়ৰ ভিতৰতে "আনন্দৰাম বৰুৱাৰ" দ্বিতীয় তাঙ্গৰণ উলিয়াৰ লগাত পৰিল। সেইবাবে সেই সকলোলৈকে কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো। দ্বিতীয় তাঙ্গৰণত কিছু নতুন কথা যোগ দিয়া হৈছে, আৰু ওপৰঞ্চিখনো আগতকৈ বঢ়োৱা হৈছে। অসমীয়া বাইজে আগৰ দৰমৰ চকুৰে "আনন্দৰাম বৰুৱাক" চাব এই আশাৰে দ্বিতীয় তাঙ্গৰণ প্ৰকাশ কৰা গল। এইখিনিতে বৰ শোকেৰে কব লগাত পৰিছে যে মহাত্মা আনন্দৰাম বৰুৱাৰ স্নেহনীয় ভাগিন শ্ৰীযুত কেশৱৰাম বৰুৱা ডাঙ্গৰীয়া আৰু এই সংসাৰত নাই। মৰমৰ ককাইদেৱাকৰ জীৱন-চৰিত প্ৰকাশ কৰাত তেখেতৰ পৰা পোৱা উৎসাহে এই গুৰু কামত মোক বৰ উদগনি দিছিল।—৫৫ নং চেণ্ট্ৰেল এভিনিউ, কলিকতা, ২০ অক্টোবৰ, ১৯২৪ চন।

তৃতীয় তাঙ্গৰণ।—আনন্দৰাম বৰুৱাৰ জীৱন-চৰিতখনি ১৯২০ চনত

পোনপ্ৰথমে প্ৰকাশিত হয়, ১৯২৪ চনত দ্বিতীয় তাঙ্গৰণ ওলায়। আজি একুবি-এখাৰ বছৰৰ মুৰত ইয়াৰ তৃতীয় সংস্কৰণ প্ৰকাশিত হ'ল।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ লগে-লগে জাতীয় চেতনাৰ পুনৰ উন্মেষন হোৱাত, নিজদেশৰ ঐতিহ্যৰ প্ৰতি মানুহৰ ধাউতি বাঢ়িছে, আৰু অতীতৰ সন্ত-সাধু কৃতীপুৰুষসকলৰ জীৱন-বৃত্তান্ত জনাৰ প্ৰয়োজন সকলোৱে অনুভৱ কৰিছে। এনে স্থলত, আনন্দৰাম বৰুৱাৰ শিক্ষাপ্ৰদ আৰু অনুপ্ৰেৰণামূলক জীৱন-কাহিনী জানিবলৈ বৰ্ত্তমান কালত এটি বিশেষ আকাঙ্ক্ষাৰ সৃষ্টি হোৱা দেখা গৈছে, কাৰণ তেওঁৰ দৰে জ্ঞানলিপ্সা পাণ্ডিত্য কাৰ্য্যদক্ষতা একনিষ্ঠতা আৰু মহানুভৱতা, এই সকলো গুণৰ সমাবেশ থকা দ্বিতীয়জন পুৰুষ তেওঁৰ পাচত অসমীয়াৰ মাজত আজি-পৰিমিতে আৱিৰ্ভাৱ হোৱা নাই। এই আকাঙ্ক্ষা, কিছুপৰিমাণে হলেও, পৰিপূৰণ কৰিবৰ অৰ্থে আনন্দৰাম বৰুৱাৰ জীৱন-চৰিতখনি পুনৰ ৰাইজৰ আগলৈ উলিওৱা হল।

এই তাঙ্গৰণত ভালেমান নতুন কথা যোগ দিয়া হৈছে। আনন্দৰাম বৰুৱাৰ সহকৰ্ম্মী পণ্ডিত অন্নদাচৰণ তৰ্কচূড়ামণি ডাঙ্গৰীয়াৰ পৰা বৰুৱাৰ বিষয়ে কিছু মূল্যবান কথা ১৯২৭ চনত সংগ্ৰহ কৰা হৈছিল। আনন্দৰাম বৰুৱাৰ স্কুলীয়া জীৱনৰ সহপাঠী কৰ্ণেল জালন্ধৰ আলি আহমদ চাহাবে ১৯২৮ চনৰ অক্টোবৰ মাহত গুৱাহাটীলৈ আহে। তেখেতৰ পৰাও বৰুৱাৰ বিষয়ে ভালেখিনি কথা জানিব পৰা গৈছিল। প্ৰাতস্মৰণীয় দেশনেতা সুৰেন্দ্ৰনাথ বন্দ্যোপাধ্যায় ডাঙ্গৰীয়াই ১৯৩১ চনত প্ৰকাশিত আত্মজীৱনীত বৰুৱাৰ বিষয়ে আদৰণী মন্তব্য এটি সন্নিবিষ্ট কৰিছে। শিৱসাগৰৰ ইন্দ্ৰীবৰ বৰুৱা ডাঙ্গৰীয়াৰ বৰপুতেক স্বৰ্গীয় উপেন্দ্ৰনাথ বৰুৱা ডাঙ্গৰীয়াই ১৯৩৪ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখৰ "অসমীয়া"ত আনন্দৰাম বৰুৱাৰ বিষয়ে নিজে-জনা কেতখিনি কথা প্ৰকাশ কৰিছিল। ১৯৩৬-৩৮ চনত, লণ্ডনৰ ইণ্ডীয়া অফিচ লাইব্ৰেৰীত থকা ৰিপোৰ্টৰ সহায়েৰে